(খ) ব্যাকৰণৰ সংজ্ঞা লিখা। ব্যাকৰণৰ শ্ৰেণীবিভাগসমূহৰ বিষয়ে লিখা।

(গ) বাক্য কাক বোলে? বাক্য গঠন কেনেদৰে কৰা হয়? আকৃতি আৰু গঠন অনুসাৰে বাক্যক কি কি ভাগত ভাগ কৰিব পাৰি, বহলাই লিখা।

★★★





**2 0 2 3**

ASSAMESE

Paper : ASMHG2026/ASMRC2026

**( Functional Grammar of Assamese )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) *Grammatical Notes on Assamese Language* গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

(i) ড. নাথান ব্ৰাউন
(ii) ৰবিন্সন চাহাব
(iii) জি. এফ. নিকল
(iv) ড. উপেন্দ্ৰনাথ গোস্বামী

(খ) –মান, –চেৰেক, –দিয়েক আদিবোৰ অসমীয়া ভাষাৰ কোনবিধ প্ৰত্যয়ৰ উদাহৰণ?

(i) নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয়
(ii) অনিৰ্দ্দিষ্টতাবাচক প্ৰত্যয়
(iii) কৃৎ প্ৰত্যয়
(iv) তদ্ধিত প্ৰত্যয়

(গ) অব্যয়বোৰক কেইটা ভাগত ভাগ কৰা হয়?

(i) দুটা
(ii) তিনিটা
(iii) চাৰিটা
(iv) পাঁচটা

(ঘ) তলত দিয়া শব্দবোৰৰ মাজৰ পৰা তদ্ভৱ শব্দ বাচি উলিওৱা

(i) কাম
(ii) ৰতন
(iii) আকাশ
(iv) সূৰ্য

(ঙ) 'All Grammar Leak' কথাষাৰ কোনে কৈছিল?

(i) এডৱাৰ্ড ছেপিৰ
(ii) ৰবিন্সন চাহাব
(iii) ড. নাথান ব্ৰাউন
(iv) ড. উপেন্দ্ৰনাথ গোস্বামী

(চ) ইংৰাজী 'Grammar' শব্দটো ক'ৰ পৰা আহিছে?

(i) গ্ৰীক
(ii) লেটিন
(iii) মাৰ্কিন
(iv) ফ্ৰান্স





(ছ) অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰিছিল

(i) ড. উপেন্দ্ৰনাথ গোস্বামী
(ii) ড. ৰমেশ পাঠক
(iii) ড. গোলোক চন্দ্ৰ গোস্বামী
(iv) কালিৰাম মেধি

(জ) অসমীয়া ভাষাত ক্ৰিয়াৰ কাল কেইটা?

(i) দুটা
(ii) তিনিটা
(iii) চাৰিটা
(iv) এটা

(ঝ) 'আনাৰস' শব্দটো কোন ভাষাৰ শব্দ?

(i) পৰ্তুগীজ
(ii) ইংৰাজী
(iii) গ্ৰীক
(iv) জাৰ্মান

(ঞ) ফিৰ্‌ফিৰীয়া শব্দটো কি শব্দ?

(i) ধ্বন্যাত্মক শব্দ
(ii) যুৰীয়া শব্দ
(iii) মিশ্ৰিত শব্দ
(iv) বিদেশী শব্দ

২। অতি চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) সমাৰ্থক শব্দ কাক বোলে?

(খ) সমাপিকা ক্ৰিয়াৰ দুটা বৈশিষ্ট্য লিখা।

(গ) সম্বন্ধ বাচক বিশেষ্য কি?

(ঘ) তদৰ্থক সৰ্বনামৰ দুটা ভাগ লিখা।

(ঙ) বিশেষণীয় বিশেষণৰ দুটা উদাহৰণ লিখা।

(চ) ৰূপান্তৰাত্মক ব্যাকৰণৰ দুটা উদাহৰণ লিখা।

(ছ) বাক্য পৰিৱৰ্তনৰ দুটা ধাৰা লিখা।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) সৰ্বনাম পদৰ ভাগ কেইটা আৰু কি কি?

(খ) পদ কাক বোলে? পদৰ শ্ৰেণীবিভাজন কেনেকৈ কৰা হয়, লিখা।

(গ) ঐতিহাসিক ব্যাকৰণ কাক বোলে?

(ঘ) তদ্ভৱ শব্দ কাক বোলে, উদাহৰণসহ বুজাই লিখা।

(ঙ) অসমীয়া ভাষাত বড়ো ভাষাৰ প্ৰভাৱ সম্পৰ্কে লিখা।

(চ) পুৰুষবাচক বিভক্তি কাক বোলে? অসমীয়া পুৰুষবাচক বিভক্তিৰ এখন তালিকা প্ৰস্তুত কৰা।





(ছ) অসমীয়া ভাষাত থকা যি কোনো এটা বিদেশী ভাষাৰ শব্দভাণ্ডাৰৰ বিষয়ে লিখা।

(জ) অৰ্থ অনুসৰি বাক্যৰ শ্ৰেণীবিভাগ কৰা।

(ঝ) বানান বুলিলে কি বুজা? বানানৰ শুদ্ধ ব্যৱহাৰৰ বাবে কি কৰা উচিত?

(ঞ) ক্ৰিয়াপদ কাক বোলে? সকৰ্মক আৰু অকৰ্মক ক্ৰিয়াপদ কাক বোলে, উদাহৰণৰ সৈতে বুজাই লিখা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) বিশেষণ পদ কাক বোলে? প্ৰয়োগৰ ওপৰত ভিত্তি কৰি বিশেষণ পদবোৰক কেইটা ভাগত ভাগ কৰা হয়, বহলাই আলোচনা কৰা।

(খ) অসমীয়া শব্দভাণ্ডাৰক কেইটা ভাগত ভাগ কৰিব পাৰি আৰু কি কি, বহলাই আলোচনা কৰা।

(গ) ক্ৰিয়াপদ কাক বোলে? ক্ৰিয়াপদৰ ভাগসমূহ লিখা।

(ঘ) বাক্যৰ পৰিৱৰ্তন কেনেকৈ হয়, উদাহৰণসহ লিখা।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) শব্দ বুলিলে কি বুজা? শব্দৰ শ্ৰেণীবিভাগ কেনেকৈ কৰা হয়, বহলাই আলোচনা কৰা।